# উৎসৱ

## Chapter – 2

## পৰিৱেশ অধ্যয়ন

**১। তোমালোকে পালন কৰা উৎসৱসমূহৰ নাম লিখা ।**

**উত্তৰঃ** আমি পালন কৰা উৎসৱসমূহ হ'ল -বিহু , ফাকুৱা বা হোলী উৎসৱ , দুৰ্গাপূজা , দেৱালী , সৰস্বতী পূজা , ৰাখীবন্ধন , লক্ষ্মী পূজা , ৰাস পূৰ্ণিমা , শ্ৰীকৃষ্ণৰ জন্মাষ্টমী , শিৱৰাত্ৰি ইত্যাদি ।

## অনুশীলনী

**১। চমু উত্তৰ লিখা –**

**( ক ) শিখ ধৰ্মালম্বী লোকসকলে পালন কৰা উৎসৱটোৰ নাম কি ?**

**উত্তৰঃ** শিখ ধৰ্মালম্বী লোকসকলে পালন কৰা উৎসৱটোৰ নাম হ'ল গুৰু নানকৰ জন্মদিন ।

**( খ ) বৰদিন কোন ধৰ্মালম্বী লোকসকলে পালন কৰে ?**

**উত্তৰঃ** বৰদিন খ্ৰীষ্টান ধৰ্মালম্বী লোকসকলে পালন কৰে ।

**( গ ) অসমৰ কোনটো উৎসৱৰ লগত পোংগল উৎসৱৰ মিল আছে ?**

**উত্তৰঃ** অসমৰ ভোগালী বিহুৰ লগত পোংগল উৎসৱৰ মিল আছে ।

**( ঘ ) ওনাম উৎসৱত কি নৃত্য পৰিৱেশন কৰা হয় ?**

**উত্তৰঃ** ওনাম উৎসৱত কাইকোট্ৰিকালি নৃত্য পৰিৱেশন কৰা হয় ।

**( ঙ ) দশেৰা উৎসৱৰ লগত একে সময়তে পূব ভাৰতত পালন কৰা উৎসৱটোৰ নাম কি ?**

**উত্তৰঃ** দশেৰা উৎসৱৰ লগত একে সময়তে পূৱ ভাৰতত পালন কৰা উৎসৱটোৰ নাম হ’ল দুৰ্গাপূজা ।

**( চ ) বিহাৰ আৰু উত্তৰ প্ৰদেশত পালন কৰা এটা উৎসৱৰ নাম লিখা ।**

**উত্তৰঃ** বিহাৰ আৰু উত্তৰ প্ৰদেশত পালন কৰা উৎসৱৰ নাম হ’ল চট্ পূজা ।

**২। ‘ ক ’ অংশৰ লগত ‘ খ ’ অংশ মিলোৱা :**

| **‘ ক ’** | **‘ খ ’** |
|---|---|
| **বিহু** | **তামিলনাড়ু** |
| **বৈশাখী** | **মহাৰাষ্ট্ৰ** |
| **পোংগল** | **অসম** |
| **ওনাম** | **পঞ্জাৱ** |
| **গণেশ চতুৰ্থী** | **কেৰেলা** |

**উত্তৰঃ**

| **‘ ক ’** | **‘ খ ’** |
|---|---|
| বিহু | অসম |
| বৈশাখী | পঞ্জাৱ |
| পোংগল | তামিলনাড়ু |
| ওনাম | কেৰেলা |
| গণেশ চতুৰ্থী | মহাৰাষ্ট্ৰ |

**৩। উত্তৰ লিখা –**

**( ক ) বিহু কেইটা আৰু কি কি ?**

**উত্তৰঃ** বিহু তিনিটা । বহাগ বিহু , মাঘ বিহু আৰু কাতি বিহু ।

**( খ ) ফাকুৱা উৎসৱ কেনেদৰে পালন কৰা হয় ?**

**উত্তৰঃ** ফাকুৱা বা হোলী এক সৰ্বভাৰতীয় উৎসৱ । সাধাৰণতে ফাগুণ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয় । এই উৎসৱত ৰং বিৰঙৰ বস্ত্ৰ পৰিধান কৰি ফাকুৰ লগতে ৰং মিহলি পানী এজনে আনজনৰ গালৈ ছটিয়াই বা সানি নৃত্য – গীত কৰি আনন্দ উপভোগ কৰে । ৰাজস্থানত ‘ চোং ’ নামৰ বাদ্যযন্ত্ৰ বজাই নৃত্য – গীত পৰিৱেশন কৰি হোলী পালন কৰা হয় ।

**( গ ) বুদ্ধ পূৰ্ণিমা কিয় পালন কৰা হয় ?**

**উত্তৰঃ** বুদ্ধদেৱৰ জন্ম , সিদ্ধিলাভ আৰু মৃত্যু ব’হাগ মাহৰ পূৰ্ণিমা তিথিতেই হৈছিল । সেয়েহে ব’হাগ মাহৰ পূৰ্ণিমাৰ দিনটো এক পৱিত্ৰ দিন ৰূপে বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে বুদ্ধপূৰ্ণিমা হিচাপে পালন কৰে ।

**( ঘ ) ঈদ কেইটা আৰু কি কি ?**

**উত্তৰঃ** ঈদ দুটা । সেই দুটা হ’ল ঈদ – উল – ফিতৰ আৰু ঈদুজ্জোহা ।

**( ঙ ) দশেৰা উৎসৱত কাৰ কাৰ প্ৰতিকৃতি জ্বলাই দিয়া হয় ?**

**উত্তৰঃ** দশেৰা উৎসৱত ৰাৱণ , কুম্ভকৰ্ণ আৰু মেঘনাথৰ প্ৰতিকৃতি জ্বলাই দিয়া হয় ।

**৪। তুমি ভালপোৱা যিকোনো এটা উৎসৱৰ বিষয়ে পাঁচটা বাক্য লিখা ।**

**উত্তৰঃ** নিজৰ পছন্দ অনুসৰি ভালপোৱা উৎসৱৰ বিষয়ে লিখিবা ।

**বহাগ বিহু**

বিহু অসমৰ জাতীয় উৎসৱ ।

চ’তৰ শেষ দিনাখনৰ পৰা ব’হাগ বিহু আৰম্ভ হয়।

প্ৰথম বিহুৰ দিনা গৰুৰ গাত মাহ – হালধি ঘঁহে , মাখিয়তি আৰু

দীঘলতিৰ পাতেৰে কোবাই পুখুৰী বা নদীত গা ধুৱাই গাত লাউ , বেঙেনা আদিৰে মাৰি সিহঁতৰ শ্ৰীবৃদ্ধি কামনা কৰে । সেয়েহে প্ৰথম বিহুক গৰু বিহু বুলি কোৱা হয় ।

দ্বিতীয় দিনাৰ পৰা মানুহ বিহু । সেইদিনা সৰুৱে ডাঙৰক সেৱা জনাই আশীৰ্বাদ লয় । আৰু নানা ঢোল , পেঁপা , বাঁহী , গগনা আদি লৈ বিহু হুচৰি গাই আনন্দ কৰে ।

**৫। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া –**

**( ক ) গুৰুনানক বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক ।**

**উত্তৰঃ** গুৰুনানক বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক । ×

**( খ ) ওনাম উৎসৱ কেৰেলাত ধৰ্মনিৰপেক্ষভাৱে পালন কৰা হয় ।**

**উত্তৰঃ** ওনাম উৎসৱ কেৰেলাত ধৰ্মনিৰপেক্ষভাৱে পালন কৰা হয় । ✓

**( গ ) চট্ পূজাত সূৰ্য দেৱতাক পূজা কৰা হয় ।**

**উত্তৰঃ** চট্ পূজাত সূৰ্য দেৱতাক পূজা কৰা হয় । ✓

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। অসমৰ জাতীয় উৎসৱ কি ?**

**উত্তৰঃ** অসমৰ জাতীয় উৎসৱ বিহু ।

**২। বিহুত কৃষিভিত্তিক উৎসৱ বুলি কিয় কোৱা হয় ?**

**উত্তৰঃ** বিহু খেতি – বাতিৰ লগত জড়িত বাবে ইয়াক কৃষিভিত্তিক উৎসৱ বুলিও কোৱা হয় ।

**৩। বহাগ বিহু কোনদিনাৰ পৰা আৰম্ভ হয় ?**

**উত্তৰঃ** বহাগ বিহু চ’ত মাহৰ শেষ দিনাখনৰ পৰা আৰম্ভ হয় ।

**৪। বহাগ বিহুৰ প্ৰথম দিনাখনক কি বুলি জনা যায় ?**

**উত্তৰঃ** বহাগ বিহুৰ প্ৰথম দিনাখনক গৰু বিহু বুলি জনা যায় ।

**৫। বহাগ বিহুৰ দ্বিতীয় দিনাৰ পৰা কি বুলি জনা যায় ?**

**উত্তৰঃ** বহাগ মাহৰ দ্বিতীয় দিনাৰ পৰা মানুহ বিহু বুলি জনা যায়।

**৬। বহাগ বিহুক ৰঙালী বিহু বুলি কিয় কোৱা হয় ?**

**উত্তৰঃ** বহাগ বিহুত সকলোৱে নাচ – গান গাই ৰং – ৰহইছ কৰি উলহ মালহেৰে পালন কৰে বাবে ইয়াক ৰঙালী বিহু বুলিও কোৱা হয় ।

**৭। কাতি বিহু কোনদিনা পালন কৰা হয় ?**

**উত্তৰঃ** কাতি বিহু আহিন মাহৰ শেষৰ দিনা পালন কৰা হয়।

**৮। কাতি বিহুক কিয় কঙালী বিহু বুলিও কোৱা হয় ?**

**উত্তৰঃ** কাতি বিহুৰ সময়ত মানুহৰ অভাৱ – অনাটন বেছি হয় বাবে ইয়াক কঙালী বিহু বুলি কোৱা হয় ।

**৯। মাঘ বিহু কেতিয়া পালন কৰা হয় ?**

**উত্তৰঃ** মাঘ বিহু পুহ মাহৰ শেষ দিনা অৰ্থাৎ সংক্ৰান্তিৰ দিনা পালন কৰা হয় ।

**১০। মাঘ বিহুক কিয় ভোগালী বিহু বোলা হয় ?**

**উত্তৰঃ** মাঘ বিহুৰ সময়ত সকলোৱে খাদ্যৰ উভৈনদী হয় কিয়নো এই সময়ত পথাৰৰ সোণ বৰণীয়া লখিমী আহি মানুহৰ ভঁৰাল উপচি পৰে বাবে সকলোৱে অভাৱ গুচে । সেয়েহে এই বিহুক ভোগালী বিহু বোলা হয় ।

**১১। দুৰ্গাপূজা কেতিয়া পালন কৰা হয় ?**

**উত্তৰঃ** দুৰ্গাপূজা শৰৎকালত পালন কৰা হয় ।

**১২। কোনদিনা দুৰ্গাদেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয় ?**

**উত্তৰঃ** বিজয়া দশমীৰ দিনা দুৰ্গাদেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয় ।

**১৩। চট্ পূজা ক'ত ক'ত পালন কৰা হয় ?**

**উত্তৰঃ** চট্ পূজা বিহাৰ আৰু উত্তৰ প্ৰদেশত পালন কৰা হয়।

**১৪। চট্ পূজাত কি দেৱতাক পূজা কৰা হয় ?**

**উত্তৰঃ** চট্ পূজাত সূৰ্য দেৱতাক পূজা কৰা হয় ।

**১৫। ' চোং ' কি ?**

**উত্তৰঃ** ' চোং ' হৈছে এবিধ ৰাজস্থানৰ বাদ্যযন্ত্ৰ । ৰাজস্থানত এই বাদ্যযন্ত্ৰ বজাই নৃত্য – গীত পৰিৱেশন কৰি ফাকুৱা বা হোলী উৎসৱ পালন কৰা হয় ।